অসম

গুৱাহাটী কমার্চ কলেজ পৰিদর্শন বিধায়ক দিপ্লুৰঞ্জন শর্মাৰ, সমস্যা সমাধানৰ আশ্বাস

নতুন গুৱাহাটীৰ বিধায়ক দিপ্লুৰঞ্জন শর্মাই গুৱাহাটী কমার্চ কলেজ পৰিদর্শন কৰি দীর্ঘদিনীয়া সমস্যা সন্দর্ভত কর্তৃপক্ষ আৰু ছাত্র-ছাত্রীৰ সৈতে আলোচনা কৰে।

প্রকাশ: ২৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৫৫



New Guwahati MLA visits Guwahati Commerce College, discusses long-pending problems (NewzNow)

© 2026 NewzNow

নতুন গুৱাহাটী সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শর্মাই ২৭ নৱেম্বৰত গুৱাহাটী কমার্চ কলেজ পৰিদর্শন কৰে। মহাবিদ্যালয়খনত উপস্থিত হৈ তেওঁ অধ্যক্ষ, শিক্ষক গোট, কর্মচাৰী, ছাত্র একতা সভাৰ প্রতিনিধি আৰু ছাত্র-ছাত্রীসকলৰ সৈতে প্রতিষ্ঠানখনৰ দীর্ঘদিনীয়া সমস্যাসমূহ সন্দর্ভত এক বৈঠকত মিলিত হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড□ বিপুল দাসে বিধায়কগৰাকীক উষ্ম আদৰণি আৰু সম্বর্ধনা জনায়।

আলোচনাত দীর্ঘদিন ধৰি জলমগ্ন হৈ থকা ড□ বিৰিঞ্চি কুমাৰ বৰুৱা গ্রন্থাগাৰ পুনৰ নির্মাণ, খেলপথাৰৰ উন্নয়ন, উদ্যোগীক প্রশিক্ষণৰ জৰিয়তে শিক্ষার্থীৰ উদ্যমিতা বিকাশ, ছাত্রাবাসৰ পুনৰ নির্মাণ, প্রেক্ষাগৃহৰ আন্তঃগাঁথনি উন্নয়ন আৰু শ্রেণীকোঠাৰ সম্প্রসাৰণৰ দৰে বিষয়সমূহে স্থান পায়। বিধায়কগৰাকীয়ে পানী জমা হৈ থকা পুতৌজনক অৱস্থাত পৰিণত হোৱা গ্রন্থাগাৰটো নিজে প্রত্যক্ষ কৰি উদ্বেগ প্রকাশ কৰে। লগতে নতুনকৈ নির্মাণ হৈ থকা ছাত্রী নিবাসো পৰিদর্শন কৰি কামৰ অগ্রগতিৰ বুজ লয়।

শিক্ষার্থীসকলক সম্বোধন কৰি বিধায়কগৰাকীয়ে কয় যে ভাৰত আজি বিশ্বৰ চতুর্থ বৃহত্তম অর্থনীতি হিচাপে আত্মপ্রকাশ কৰিছে আৰু উন্নত ভাৰতৰ লক্ষ্যত মেধা পলায়ণ হ্রাস পাইছে। তেওঁ যুৱপ্রজন্মক ৰাষ্ট্র নির্মাণত আত্মনিয়োগ কৰিবলৈ আহ্বান জনায়। মহাবিদ্যালয়খনৰ সকলো সমস্যাৰ বিষয়ে মুখ্যমন্ত্রীক অৱগত কৰি সোনকালে পদক্ষেপ গ্রহণৰ আশ্বাস দিয়ে বিধায়কগৰাকীয়ে।

অনুষ্ঠানত প্রাক্তন পৰিচালনা সমিতিৰ সভাপতি ৰঞ্জন বৰা, সঞ্চালক গুণমণি গগৈ, গ্রন্থাগাৰিক ড□ উৎপল শর্মা আৰু বিজেপি গুৱাহাটী মহানগৰৰ সাধাৰণ সম্পাদক চিন্ময় শর্মা উপস্থিত থাকে। পাছত বিধায়কগৰাকীয়ে শিক্ষক গোটৰ সৈতেও সুকীয়াকৈ আলোচনাত বহে। অধ্যক্ষ ড□ বিপুল দাসে সকলোৰে হৈ ধন্যবাদ জ্ঞাপন কৰি মহাবিদ্যালয়খনৰ সমস্যাসমূহ শীঘ্রেই সমাধান হ'ব বুলি আশা প্রকাশ কৰে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/7196/guwahati-commerce-college-mla-diplu-ranjan-sarma-visit